

ইউক্লিডে 'এলিমেণ্টছ' ৰচনা কৰাৰ দুহেজাৰ বছৰৰ পাছত ডেকাৰ্টে স্থানাংক জ্যামিতিৰ বিকাশ সাধন কৰিছিল। সেই দুহেজাৰ বছৰটোত কিবা নতুন চিন্তা হ'ল নে, কি কি নতুন ধাৰা সৃষ্টি হ'ল, বা সেই গোটেইখিনি এক স্থবিৰ সময় নেকি – এয়া এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। ইয়াৰ সৰল উত্তৰটো নিশ্চয় হ'ব– ইউক্লিডে তৈয়াৰ কৰা ধাৰাটোতকৈ বৰ বেছি একো নহ'ল।



ডেকাৰ্টৰ নতুন বিষয়টোৱে জ্যামিতি আৰু বীজগণিতৰ মাজত সংযোগ স্থাপন কৰিলে। এইটো আছিল ইউক্লিডৰ পাছৰ এটা বৃহৎ জাপ। কিন্তু দূৰ অতীতৰ পৰা আহি থকা বহু প্ৰশ্নৰ উত্তৰ এই সংযোগেও দিব নোৱাৰিলে।



ইউক্লিডৰ কালত এক ধাৰণা আছিল যে- পূৰ্ণ হৈছে অংশতকৈ ডাঙৰ। দাৰ্শনিক ভাৱধাৰা, মনঃস্তাত্ত্বিক চিন্তাধাৰাতো এই কথাষাৰে ক্ৰিয়া কৰি আছিল। Peter Lynch নামৰ এজন গণিতজ্ঞ আৰু লেখকে লিখিছে যে এই কথাষাৰ সন্দেহৰ দৃষ্টিৰে চোৱা প্ৰথমসকলৰ মাজত এজন আছিল গেলিলিঅ'। গেলিলিঅ' আছিল ডেকাৰ্টৰ প্ৰায় সমসাময়িক। লেখকগৰাকীয়ে লিখা মতে, গেলিলিঅ'ৰে যুগ্ম সংখ্যাৰ পৰিমাণ আৰু স্বাভাৱিক সংখ্যাৰ পৰিমাণ সমান বুলি কৈছিল। আকৌ সেইদৰেই, যুগ্ম সংখ্যাৰ পৰিমাণ আৰু অযুগ্ম সংখ্যাৰ পৰিমাণো সমান। কিন্তু, যুগ্ম সংখ্যাসমূহ বা অযুগ্ম সংখ্যাসমূহ হৈছে স্বাভাৱিক সংখ্যাৰে অংশ। গেলিলিঅ'ই এনেকুৱা আন কিছুমান কথাও ব্যক্ত কৰিছিল। কিন্তু তেওঁ ইউক্লিডৰ দিনৰ সেই কথাষাৰক চূড়ান্ত প্ৰত্যাহ্বান জনাবলৈ সক্ষম নহ'ল। এনেদৰেই গেলিলিঅ'ই এক প্ৰকাণ্ড আৱিষ্কাৰৰ প্ৰান্তত উপনীত হৈছিলগৈ, কিন্তু নিজৰ ধাৰণাখিনিৰ বিকাশ সাধন কৰিব নোৱাৰিলে। তাৰ প্ৰায় তিনিশ বছৰ পাছত জৰ্জ কেণ্টৰে সংহতি তত্ত্বৰ জন্ম দি সেয়া প্ৰমাণ কৰিলে। অসীম সংহতিয়ে নিজৰে অংশৰ সৈতে একৈকী সংগতা (one-to-one) ৰূপত থাকিবও পাৰে, সেয়া তেওঁ প্ৰতিষ্ঠা কৰিলে।





"A large part of doing research is to be stuck and to be confused and to feel like one doesn't make progress. But then, every once in a while you make progress. Then something comes out, a light turns on and that insight or feeling of discovery, of finding something new, carries with it such joy that you go back and are willing to be frustrated yet again."

– Kannan Soundararajan



"I think there's a lot of math in the world that's not at university. Pure math is only one part of math but math is used in a lot of other subjects and I think that's just as interesting. So learn as much as you can, about all the subjects around math and then see what strikes you as the most interesting."

– Akshay Venkatesh